যোৰহাট কলেজত গৱেষণা পত্রিকা প্রতিযোগিতাত ইতিহাস বিভাগ শ্রেষ্ঠ

যোৰহাট ঃ ষ্টাফ ৰিপৰ্টাৰ, ২২ ছেপ্টেম্বৰ ঃ যোৰহাট মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত মহাবিদ্যালয়ৰ বিভাগসমূহৰ মাজত 'শ্রেষ্ঠ গৱেষণা পত্রিকা' প্রতিযোগিতাৰ আয়োজন কৰা হৈছিল। বিষয়বস্তুৰ মৌলিকতা, সম্পাদকীয়, প্রবন্ধৰ মূল্যায়ন প্রক্রিয়া আদি কেইবাটাও শিতান পৰীক্ষা কৰি বিশেষজ্ঞ সমিতিৰ দলে ইতিহাস বিভাগৰ গৱেষণা পত্রিকা 'ইতিহাস দর্পণ'ক শ্রেষ্ঠ হিচাপে বিবেচনা কৰে। ২০২৬ বর্ষৰ ইতিহাস দর্পণৰ নৱম সংখ্যাৰ সম্পাদনাৰ দায়িত্বত আছিল বিভাগীয় মুৰব্বী ৰক্তিমজ্যোতি হাজৰিকা। যোৱা ১৬ ছেপ্টেম্বৰত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচার্য, অধ্যাপক জিতেন হাজৰিকা, যোৰহাট সমষ্টিৰ বিধায়ক হিতেন্দ্র নাথ গোস্বামী, যোৰহাটৰ প্রায়কেইখন কলেজৰ অধ্যক্ষৰ উপস্থিতিত আয়োজিত এক অনুষ্ঠানত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাই প্রতিযোগিতাৰ বিজয়ী ইতিহাস বিভাগৰ হাতত ১০ হাজাৰ টকাৰ নগদ



ধন আৰু সম্বর্ধনা-পত্র অর্পণ কৰে। এই প্রতিযোগিতাত দ্বিতীয়, তৃতীয় আৰু চতুর্থ পুৰস্কাৰ ক্রমে শিক্ষা বিভাগ, দর্শন বিভাগ আৰু অর্থনীতি বিভাগে লাভ কৰে।